# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 29-MAY-2026 **Time :** 09-00 AM

***Assamese Morning Bulletin***

—————————————————

## HEADLINES (0900 AM)

১। গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ পৰিৱেশ সম্পৰ্কীয় অধ্যয়ন সম্পূৰ্ণ নোহোৱা পৰ্যন্ত আমচাং বন্যপ্ৰাণী অভয়াৰণ্যৰ এজোপাও গছ কটা নহয় নহয় বুলি ৰাজ্য চৰকাৰৰ প্ৰকাশ।

২। পঞ্চায়তীৰাজ মন্ত্ৰ্যালয়ৰ উদ্যোগত গুৱাহাটীত আজি **সেৱা চে সমৃদ্ধি** শীৰ্ষক সেৱা প্ৰদান বিষয়ক এখন আঞ্চলিক কৰ্মশালাৰ আয়োজন।

৩। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত আজিৰে পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কম্পাৰ্টমেণ্টেল পৰীক্ষা।

৪। বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আজিৰে পৰা পৰ্যটকৰ বাবে বন্ধ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰত আজি ৰাজস্থান ৰয়েলছ্ আৰু গুজৰাট টাইটানছ্ মুখামুখি

০০০০০০০০

ৰাজ্য চৰকাৰে প্ৰায় ছহেজাৰ কোটি টকীয়া অভিলাষী গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ ফলত পৰিৱেশৰ ওপৰত পৰিব পৰা প্ৰভাৱৰ অধ্যয়ন সম্পূৰ্ণ নোহোৱা পৰ্যন্ত আমচাং বন্যপ্ৰাণী অভয়াৰণ্যৰ এজোপাও গছ কটা নহয় আৰু এই প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত বন্যপ্ৰাণীৰ সুৰক্ষা বিশেষকৈ হস্তিদণ্ডিৰ সুৰক্ষাৰ বাবে সকলো ধৰণৰ পদক্ষেপ লোৱা হ'ব বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ক জনাইছে। গুৱাহাটী আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী এলেকাক সামৰি নিৰ্মাণ কৰিবলগীয়া প্ৰায় ১২১ কিলোমিটাৰ দৈৰ্ঘ্যৰ গুৱাহাটী ৰিংৰোড প্ৰকল্পৰ বাবে আমচাং বন্যপ্ৰাণী অভয়াৰণ্যৰ প্ৰায় চাৰিহাজাৰ জোপা গছ কটাৰ বাবে বন বিভাগে জাৰি কৰা নিবিদাক প্ৰত্যাহ্বান আৰু বন্যপ্ৰাণীৰ চলাচলৰ বাবে উপযুক্ত সৃষ্টি কৰাৰ বাবে অনুৰোধ জনাই দুগৰাকী ব্যক্তিয়ে দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজৰিত আবেদনৰ শুনানিৰ সময়ত অতিৰিক্ত মহাধিবক্তা পাৰংগম নাৰায়ণ গোস্বামীয়ে চৰকাৰৰ এই স্থিতিৰ বিষয়ে অৱগত কৰে। অতিৰিক্ত মহাধিবক্তাগৰাকীয়ে যোৱা বুধবাৰে মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীৰ বিচাৰপীঠক জনায় যে, এই প্ৰকল্পৰ বাবে গছ কটাৰ ফলত পৰিৱেশৰ ওপৰত পৰিব পৰা প্ৰভাৱ সম্পৰ্কীয় অধ্যয়নৰ বাবে ভাৰতীয় বন্য প্ৰাণী প্ৰতিষ্ঠানক দায়িত্ব দিয়া হৈছে। সংস্থাটোৱে অধ্যয়নৰ বাবে

কাৰিকৰী আৰু বিত্তীয় প্ৰস্তাৱসমূহ দুসপ্তাহৰ ভিতৰত যুগুত কৰিব আৰু অধ্যয়নৰ কাম আৰম্ভ কৰি ৯০ দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব। অতিৰিক্ত মহাধিবক্তাগৰাকীৰ লগতে পৰিৱেশ সংক্ৰান্তীয় অধ্যয়ন সম্পূৰ্ণ নোহোৱা পৰ্যন্ত আমচাং অভয়াৰণ্যৰ কোনো গছ কটা নহয় বুলি আশ্বাস দিয়ে। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণেও পৰিৱেশ সম্পৰ্কীয় অধ্যয়নৰ বাবে পুঁজি মোকলাই দিয়াত বিলম্ব নকৰে বুলি তেওঁ আদালতক অৱগত কৰে। চৰকাৰৰ এনে স্থিতিৰ পৰিপ্ৰেক্ষিতত ন্যায়ালয়ে ৰাজহুৱা স্বাৰ্থজৰিত আবেদনখন নিষ্পত্তি কৰে।

oooo oooo

কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই আজি মেঘালয়ত হ'বলগীয়া ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ প্ৰস্তুতিৰ বুজ ল'ব। তেওঁ লগতে মুখ্যমন্ত্ৰী কনৰাড কে চাংমাৰ শ্বিলঙত এটা বহুমুখী ইণ্ডোৰ ক্ৰীড়া প্ৰকল্পৰ উদ্বোধন কৰিব। প্ৰায় ১৩৩ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হোৱা এই ক্ৰীড়া প্ৰকল্পটো ৰাজ্যখনত হ'বলগীয়া ৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ অন্যতম আয়োজন স্থলী হিচাপে পৰিগণিত হ'ব। ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ যুৱ পৰিক্ৰমা, ক্ৰীড়া আন্তঃগাঁথনি উন্নয়ন আৰু কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহৰ ৰূপায়ণৰ পৰ্যালোচনা কৰিব। ৰাজ্যখনৰ যুৱ পৰিক্ৰমা বিভাগে আয়োজন কৰা এটি বিশেষ কাৰ্যসূচীতো শ্ৰী মন্দাভিয়াই অংশ ল'ব।

oooooo

পঞ্চায়তীৰাজ মন্ত্ৰ্যালয়ৰ উদ্যোগত গুৱাহাটীত আজি সেৱা চে সমৃদ্ধি শীৰ্ষক সেৱা প্ৰদান বিষয়ক এখন আঞ্চলিক কৰ্মশালাৰ আয়োজন কৰা হৈছে। পঞ্চায়তৰ নেতৃত্বত সেৱা প্ৰদান ব্যৱস্থাৰ প্ৰতি সন্মান জনাই আয়োজন কৰা এই কৰ্মশালাত কেন্দ্ৰীয় পঞ্চায়তীৰাজ দপ্তৰৰ ৰাজ্যমন্ত্ৰী এছ্ পি সিং বাঘেল আৰু মন্ত্ৰী অতুল বৰা উপস্থিত থকাৰ কথা। এই কৰ্মশালাত অসম, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, ওড়িশা, পাঞ্জাব, ৰাজস্থান আৰু তেলেংগানাৰ পঞ্চায়তৰ বিষয়ববীয়া, নিৰ্বাচিত প্ৰতিনিধি, গাঁও পঞ্চায়তৰ উদ্যোগীসকলৰ লগতে ৰাজ্য চৰকাৰৰ বিষয়াসকল উপস্থিত থাকিব। ৰাজ্যসমূহৰ শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী গাঁও পঞ্চায়ত আৰু চেম্পিয়ন কমন চাৰ্ভিচ চেণ্টাৰক এই কৰ্মশালাত সম্বৰ্ধনা জনোৱা হ'ব। ডিজিটেল ৰূপান্তৰ জৰিয়তে পঞ্চায়ত নেতৃত্বৰ সেৱা প্ৰদান ব্যৱস্থা শক্তিশালী কৰা, নাগৰিকৰ অংশগ্ৰহণ, উদ্ভাৱন, বহুভাষিক প্ৰশাসন আৰু তৃণমূল পৰ্যায়ত ৰাজহুৱা সেৱা উন্নত কৰাৰ বিষয়ে কৰ্মশালাত আলোচনা কৰা হ'ব।

ooooooo

COMPARTMENTAL/RNU (29-05-2026) MORN

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত আজিৰে পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কম্পাৰ্টমেণ্টেল পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব। অহা ৫ জুনলৈ চলিবলগীয়া এই পৰীক্ষাত এইবেলি ৬৪ হাজাৰ ৫০ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। পৰিষদৰ সচিব নৰনাৰায়ণ নাথে জনোৱা অনুসৰি ৰাজ্যৰ মুঠ ১১৬টা কেন্দ্ৰত কাইলৈৰ পৰা কম্পাৰ্টমেণ্টেল পৰীক্ষা আৰম্ভ হ'ব। পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে বিভিন্ন জিলাৰ প্ৰশাসনে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে।

ooooooooo

ৰাজ্যৰ পশুপালন আৰু পশু চিকিৎসা বিভাগে কামৰূপ আৰু শদিয়া সমজিলাৰ দুটা স্থানত ছোৱাইন ফ্লুৰ প্ৰদুৰ্ভাব ধৰা পৰালৈ চাই বিশেষ সতৰ্কতা অৱলম্বন কৰিছে আৰু সকলো জিলাকে সষ্টম হৈ থাকিবলৈ নিৰ্দেশ দিছে। বিভাগে শদিয়া সমজিলাৰ উত্তৰ ৰংপুৰীয়া গাঁৱত গাহৰিৰ দেহত এই ৰোগ ধৰা পৰাৰ পাছত

অভিকেন্দ্ৰৰ এক কিলোমিটাৰ ব্যাসাৰ্ধ এলেকাক আক্ৰান্ত অঞ্চল হিচাপে চিনাক্ত কৰি গাহৰিৰ মাংস আৰু গাহৰিৰ বিক্ৰী সম্পূৰ্ণৰূপে বন্ধ কৰিছে। পশু পানল বিভাগে আজিৰ ভিতৰত আক্ৰান্ত গাহৰিসমূহ নিধন  কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। শদিয়াৰ পৰা অন্য জিলা তথা অৰুণাচল প্ৰদেশলৈ গাহৰিৰ মাংস অথবা গাহৰি মাংসৰ সামগ্ৰী প্ৰেৰণ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। প্ৰশাসনে ৰাইজক আতংকিত নহ'বলৈ আৰু এই ৰোগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। অৱশ্যে  যোৱা বছৰ ছোৱাইন ফ্লুৱে মাৰাত্মক ৰূপ লোৱা ধেমাজি, লখিমপুৰ, শিৱসাগৰ, দৰং, ডিব্ৰুগড় আদি জিলাত বৰ্তমানলৈকে কোনো গাহৰিৰ দেহত এই ৰোগ ধৰা পৰা নাই।

ooooooooo

ৰাজ্যৰ বন বিভাগ আৰু গোলাঘাট জিলা প্ৰশাসনে মেৰাপানীৰ দুই নম্বৰ নেঘেৰিবিলত পুনৰ উচ্ছেদ অভিযান চলাবলৈ সাজু হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ পাছতে বন বিভাগে এই ক্ষেত্ৰত তৎপৰতা গ্ৰহণ কৰিছে। বিভাগৰ মুখ্য সচিব এন কে যাদৱে কালি জিলা আয়ুক্ত পূবালী গোহাঁই,  অতিৰিক্ত আৰক্ষী অধীক্ষক জন দাস, বন বিভাগৰ উচ্চ পদস্থ বিষয়া-কৰ্মচাৰী আৰু   চি আৰ পি এফৰ বিষয়াসকলৰ সৈতে উচ্ছেদৰ বাবে চিনাক্ত অঞ্চলমসূহ পৰিদৰ্শন কৰে আৰু আইন শৃংখলা তথা সামগ্ৰিক পৰিস্থিতি মূল্যায়ণ কৰে। নেঘেৰিবিল অঞ্চলৰ বন ভূমি দীৰ্ঘদিন ধৰি অবৈধভাৱে দখলৰ অভিযোগ উত্থাপিত হৈ আহিছে। বন বিভাগে ইতি পূৰ্বে ১৪৬টা পৰিয়ালৰ বাসগৃহ উচ্ছেদ কৰিছিল যদিও ৫৯ টা পৰিয়ালে উচ্ছেদৰ বিৰোধিতা কৰি ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰ পাছত উচ্ছেদ প্ৰক্ৰিয়া সামৰিকভাৱে স্থগিত ৰখা হৈছিল। বন বিভাগে ২ নম্বৰ নেঘেৰিবিলৰ ৫৯টা আৰু উৰিয়ামঘাটৰ ১১টা পৰিয়াললৈ পুনৰ জাননী জাৰি কৰিছে। অঞ্চলটোত জুনৰ পহিলা ভাগত উচ্ছেদ অভিযান আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। উচ্ছেদৰ সম্ভাৱনাক কেন্দ্ৰ কৰি উদ্ভৱ হ'ব পৰা উদ্বেগজনক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অঞ্চল দুটাত ব্যাপক নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে।

oooooooo

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ আজিৰে পৰা পৰ্যটকৰ বাবে বন্ধ থাকিব। বাৰিষা আৰু বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। তথ্য অনুসৰি ২০২৫-২৬ পৰ্যটন বৰ্ষত উদ্যানখনলৈ ৪ লাখ ৬৮ হাজাৰৰো অধিক পৰ্যটকৰ আগমন হয়। এই বৰ্ষত বিদেশী পৰ্যটকৰ সংখ্যাও যথেষ্ট বৃদ্ধি হোৱা বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

oooooooo

মানস ৰাষ্ট্ৰীয় উদ্যানৰ ২০২৬-২৭ পৰ্য্যটক বৰ্ষৰ বাবে অহা ১ জুনৰ পৰা পৰ্য্যটক সকলৰ বাবে ৰিভাৰ ৰাফটিং আৰু হাতী ছাফাৰী বন্ধ থাকিব বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। উদ্যান কৰ্তৃপক্ষই জনোৱা অনুসৰি বাৰিষাৰ লগে লগে বেঁকী নৈৰ পানী বৃদ্ধি হোৱা আৰু জীৱ-জন্তুক কিছু জিৰণি দিয়াৰ লক্ষ্যৰে ৰিভাৰ ৰাফটিং আৰু হাতী ছাফাৰী বন্ধ ৰখা হৈছে। আনহাতে ২৫ জুনৰ পৰা পৰ্য্যটক সকলৰ বাবে মানস ৰাষ্ট্ৰীয় উদ্যান সম্পূৰ্ণৰূপে বন্ধ ৰখা হ'ব। এই সন্দৰ্ভত মানস ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জৰ বনাঞ্চলিক বিষয়া প্ৰাঞ্জল তালুকদাৰে এনেদৰে কয়-

(বাইট)

উল্লেখযোগ্য যে, উদ্যানখন প্ৰতিবছৰে বাৰিষাৰ সময়ছোৱাত বন্ধ কৰি দিয়া হয়। চলিত পৰ্য্যটন বৰ্ষত ৰাষ্ট্ৰীয় উদ্যান খনত ২ টা পোৱালিৰ সৈতে বিচৰণ কৰি ফুৰা ১ টা ঘোং দেশী-বিদেশী পৰ্য্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ **মন কী বাত** অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড। জনসাধাৰণে এই খণ্ডটিৰ বাবে ১৮০০-১১-৭৮০০ বিনামূলীয়া নম্বৰত ফোন কৰি আজিৰ ভিতৰত দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে নৰেন্দ্ৰ মোদী এপ অথবা মাইগভ মুকলি মঞ্চৰ জৰিয়তেও দিহা-পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। ইয়াৰ উপৰি ১৯২২ নম্বৰত মিছডকল দি লাভ কৰা এছ এম এছ জৰিয়তেও প্ৰধানমন্ত্ৰীলৈ পোনপটীয়াকৈ দিহা-পৰামৰ্শ আগবঢ়াব পৰা যাব।

০০০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে শিল্পী জুবিন গাৰ্গৰ হত্যাৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় আজি প্ৰদান কৰিব। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে আজি দিনৰ ২ বজাত এই ৰায় দিব। ইয়াৰ পূৰ্বে বাক্সাৰ জিলা কাৰাগাৰত কাৰাৰুদ্ধ হৈ থকা অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মজিয়াত কেইবাদিনো ধৰি শুনানি অনুষ্ঠিত হৈছিল। শুনানিকালত জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰাৰ বিপৰীতে ৰাজ্য চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই ইয়াৰ বিৰোধিতা কৰিছিল। উভয় পক্ষৰ যুক্তি শুনাৰ পাছত উচ্চ ন্যায়ালয়ে আজি শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় প্ৰদান কৰিব। আনহাতে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতেও আজি অভিযুক্ত শেখৰজ্যোতি গোস্বামীৰ জামিন আবেদনৰ ৰায় দিব।

০০০০০০০০

অসম বিধানসভাৰ সচিব দুলাল পেগুক **বুধবাৰে** অসম বিধানসভাৰ বিশেষ অধিবেশনৰ অন্তিম দিনটোত বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে তাৎক্ষণিকভাৱে অপসাৰণৰ নিৰ্দেশ দিয়ে। দুলাল পেগুৰ ২০২৪ চনৰ জানুৱাৰীতে অৱসৰৰ দিন আছিল। পূৰ্বৰ অধ্যক্ষই দুলাল পেগুৰ চাকৰিৰ ম্যাদ বৃদ্ধি কৰিছিল। চৰকাৰী নিয়ম অনুসৰি অৱসৰৰ পাছত দুবছৰ পৰ্য্যন্ত চাকৰিৰ ম্যাদ বৃদ্ধি কৰিব পাৰে। সেই নিয়ম উলংঘা হোৱাৰ বাবে সচিবগৰাকীক তাৎক্ষণিকভাৱে অপসাৰণ কৰা হয়। এই সন্দৰ্ভত বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে এইদৰে কয়-

(বাইট) ৰঞ্জিত কুমাৰ দাস

০০০০০০০০০

গোৱালপাৰাৰ উৰপদ বিলত বেঁকা ঠেঙৰ বিশেষ প্ৰজাতিৰ কেঁকো সাপৰ সন্ধান পোৱা গৈছে। ৰাজ্যৰ বৈজ বৈচিত্ৰ্যৰ জগতত  এই প্ৰজাতিটোৰ উপস্থিতিয়ে আশাৰ বতৰা কঢ়িয়াই আনিছে। উল্লেখযোগ্য যে বেণ্ট টড গেকো ছিৰ্টোডেকটুলাছ প্ৰজাতিৰ অন্তৰ্গত সকলো কেঁকো গোত্ৰৰ ভিতৰত ই আটাইতকৈ ডাঙৰ আৰু

ইয়াৰ ৩৬০ টাতকৈও অধিক প্ৰজাতি ইতিমধ্যে চিনাক্ত কৰা হৈছে। ই সাধাৰণ কেঁকোৰ দৰে নহয়, ইহঁতৰ ঠেঙৰ আঙুলিবোৰ প্ৰসাৰিত-আঠাযুক্ত, বক্ৰ আৰু নখযুক্ত।

ooooooooo

NEWSPAPER REVIEW

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকসমূহৰ প্ৰথম পৃষ্ঠাত **কোৰবাণী সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ আহ্বানলৈ সঁহাৰি জনাই ৰাজ্যত ব্যাপক উছাহেৰে ঈদ উজ জোহা পালন**, উত্তৰ গুৱাহাটীত সংঘটিত পথ দূৰ্ঘটনাত তিনিজনৰ অকাল মৃত্যু , **ৰাজ্যত আফ্ৰিকান ছোৱাইন ফ্লুৰ পুনৰ সংহাৰ,** অসম বিধানসভাৰ সচিবক অপসাৰণ আদিকে ধৰি ভিন ভিন বাতৰিয়ে শিৰোনাম দখল কৰিছে। গাহৰি পালকসকললৈ ভাবুকি কঢ়িয়াই অনা আফ্ৰিকান ছোৱাইন ফিভাৰৰ আতংক ৰাজ্যত পুনৰ আৰম্ভ হৈছে। ৰাজ্যৰ পশুপালন আৰু পশু চিকিৎসা বিভাগে সকলো জিলাকে সষ্টম হৈ থাকিবলৈ নিৰ্দেশনা জাৰি কৰিছে। ইতিমধ্যে কামৰূপ আৰু তিনিচুকীয়া জিলাত দুটা অভিকেন্দ্ৰ চিনাক্ত কৰা হৈছে। **নিয়মীয়া বাৰ্তা আৰু দৈনিক অসম কাকত** ত এই বাতৰিটোক গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰা হৈছে। অসম বিধানসভাৰ সচিব দুলাল পেগুক নতুন অধ্যক্ষ ৰঞ্জিত দাসৰ নিৰ্দেশমৰ্মে অপসাৰণ কৰা হৈছে। কাৰ্যকাল শেষ হোৱাৰ পিছতো বিধানসভাৰ সচিব হৈ থকা দুলাল পেগুয়ে পূৰ্বৰ কাৰ্যকালত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছে। **আমাৰ অসম** কাকতত **'একেনিশাতে বিধানসভাৰ সচিবক বৰ্খাস্ত নতুন অধ্যক্ষৰ'** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত এই বাতৰিটো প্ৰকাশ কৰা হৈছে। ***বৰ্ধিত কাৰ্যকালত থকা বিধানসভাৰ সচিব দুলাল পেগুক হঠাত অপসাৰণ*** শিৰোনামেৰে **দৈনিক জনমভূমি** কাকততো একেটা বাতৰিকে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে। ৰাছিয়াৰ মস্কোত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় সুৰক্ষা মঞ্চৰ বৈঠকত ভাৰতৰ ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভালে সন্ত্ৰাসবাদৰ বিৰুদ্ধে নিৰ্ণায়ক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা বাতৰিটোয়ে **দি আচাম ট্ৰিবিউন আৰু দি চেন্টিনেল** কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। কৰ্ণাটকৰ মুখ্যমন্ত্ৰী চিদ্দাৰামায়াই পদত্যাগ কৰাৰ পাছতেই সমৰ্থকসকলে ৰাজ্যখনৰ বিভিন্ন স্থানত বিক্ষোভ প্ৰদৰ্শন কৰা এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতত প্ৰকাশ কৰা হৈছে। উত্তৰ গুৱাহাটীত সংঘটিত এটা পথ দুৰ্ঘটনাত বুধবাৰে পুৱতি নিশা তিনিজন লোক নিহত হোৱা বাতৰিটো অনান্য কাকতসমূহৰ লগতে **দৈনিক অগ্ৰদূত আৰু অসমীয়া খবৰ কাকতৰো** প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰা হৈছে। এতিয়া আহক আমি পুনৰ ওভতি যাঁও বাতৰিৰ মাজলৈ।

ooooooooo

আই পি এল ক্রিকেট প্রতিযোগিতাত আজি নিউ চণ্ডিগড়ৰত হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। খেলখনৰ বিজয়ী দলটোৱে দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ৰয়েল ছেলেঞ্জৰ্ছ বাংগালুৰুৰ সন্মুখীন হ'ব। ৰাজস্থান ৰয়েলছে প্ৰথমখন এলিমিনেটৰক ছান ৰাইজাৰ্ছ হায়দৰাবাদক পৰাভূত কৰি দ্বিতীয়খন কোৱালিফায়াৰত স্থান নিশ্চিত কৰাৰ বিপৰীতে গুজৰাট টাইটানছ প্ৰথমখন কোৱালিফায়াৰত যোৱাবাৰৰ চেম্পিয়ন ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ হাতত পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হৈছিল।

২০০৮ চনৰ চেম্পিয়ন ৰাজস্থান ৰয়েলছে আজিৰ খেলখনত জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাব। গুজৰাট টাইটানছেও ২০২২ চনত খিতাপ দখলৰ সাফল্যৰ পুনৰাবৃত্তি ঘটোৱাৰ বাবে প্ৰয়াস কৰিব।

০০০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। দুই এজাক পাতলীয়া বৰষুণৰ লগতে বিজুলী ধেৰেকনি অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, মিজোৰাম আৰু মণিপুৰৰ কিছু কিছু অঞ্চলত মজলীয়া বৰষুণ আৰু ত্ৰিপুৰাৰ প্ৰায়বোৰ অঞ্চলতে মজলীয়া বৰষুণৰ সম্ভাৱনা থকাৰ লগতে অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ দুই এঠাইত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০০০

**সমাপ্ত**